# মাধৱদেৱৰ ‘নামঘোষা’ গ্ৰন্থত শংকৰ স্মৃতিঃ এটি অধ্যয়ন

**ব্ৰজেন বৈশ্য**

**গৱেষক ছাত্ৰ,**

**গুৱাহাটী বিশ্ববিদ্যালয়**

**অসমীয়া বিভাগ**

***সংক্ষিপ্ত সাৰ*ঃ-** *মাধৱদেৱে ৰচনা কৰা শ্ৰেষ্ঠ সাহিত্য হ’ল ‘নামঘোষা’ গ্ৰন্থ। জীৱনৰ শেষ বয়সত মাধৱদেৱে কোচবিহাৰৰ ভেলাডোৰাৰত থাকোতে এই অনুপম গ্ৰন্থখন ৰচনা কৰে। ভক্তিধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ বাবে জীৱনলৈ নামি অহা বিভিন্ন সংঘাত, ডাক-চাকনৈয়া অতিক্ৰম কৰি, ভাৰতৰ বিভিন্ন তীৰ্থস্থান পৰিভ্ৰমণ কৰি, বিভিন্ন জন গুণী-জ্ঞানী, সাধু-মহন্তক লগ পাই তেওঁ যি অভিজ্ঞতা  লাভ কৰিছিল, ‘নামঘোষা’ গ্ৰন্থৰ মাজেৰে তেওঁৰ সেই অভিজ্ঞতাই বাংময় ৰূপ লাভ কৰিছিল। ‘নামঘোষা’ গ্ৰন্থত সেইবাবে তাৰুণ্যৰ চপলতা নাই। এজন ঘোৰ শাক্ত ধৰ্মত বিশ্বাসী যুৱকৰ পৰা একশৰণীয়া নামধৰ্মৰ এজন একান্ত অনুগামী ভকতলৈকে মাধৱদেৱৰ জীৱনৰ যি পৰিক্ৰমা, তাৰ অন্তৰালৰ মূল হোতা আছিল শংকৰদেৱ। শংকৰদেৱৰ লগত তৰ্কযুদ্ধত পৰাস্ত হৈ মাধৱদেৱে শংকৰদেৱক গুৰু মানি লয় আৰু তেতিয়াৰে পৰা তেওঁ শাক্ত ধৰ্ম পৰিহাৰ কৰি নৱ-বৈষ্ণৱ ধৰ্মৰ একান্ত অনুগামী হৈ পৰে। ইয়াৰ পৰৱৰ্তী কালত মাধৱদেৱে গুৰু শংকৰৰ লগত ছাঁটোৰ দৰে থাকি নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ তথা প্ৰসাৰত আত্মনিয়োগ কৰে। গুৰুৰ আদেশ শিৰোধাৰ্য কৰি তেওঁ বৰগীতকে আদি কৰি নিজেও ভালেমান পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ যোৱাৰ লগতে ভাঙোনমুখী অসমীয়া জাতিটোক একত্ৰিত কৰাত সহায় কৰে। গুৰু শংকৰৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়লৈকে আৰু বৈকুণ্ঠপ্ৰয়াণৰ পিছতো গুৰুৰ স্মৃতিক আগত ৰাখি মাধৱদেৱে নামধৰ্ম প্ৰচাৰ- প্ৰসাৰ কৰি যায়। জীৱনৰ শেষ বয়সত মাধৱদেৱক হয়তো গুৰুৰ স্মৃতিয়ে বেছি আমনি কৰিছিল। সেইবাবে শেষ বয়সত ৰচনা কৰা ‘নামঘোষা’ গ্ৰন্থত তেওঁ গুৰুঋণ কিম্বা গুৰুস্মৃতি মুক্তভাবে স্বীকাৰ কৰিছে। আমাৰ এই আলোচনা পত্ৰখনৰ জৰিয়তে মাধৱদেৱে ‘নামঘোষা’ গ্ৰন্থখনত গুৰু শংকৰদেৱৰ বিষয়ে কি কি আৰু কেনেধৰণৰ স্মৃতি বিজড়িত কথা প্ৰকাশ কৰিছে সেই সম্পৰ্কে আলোচনা কৰা হ’ব।*

*বীজশব্দ ঃ- নৱবৈষ্ণৱ, শংকৰ স্মৃতি, মণিকাঞ্চন, নামঘোষা।*

**০.০০ প্ৰস্তাৱনা –**

‘নামঘোষা’ নৱবৈষ্ণৱ ধৰ্মৰ ভক্তি সাহিত্যৰ এক অন্যতম ফচল। ইয়াৰ ৰচক হ’ল শ্ৰীশ্ৰী মাধৱদেৱ। জীৱনৰ শেষ বয়সত তেওঁ কোচবিহাৰৰ ভেলাডোৰাৰত থাকোতে এই অনুপম গ্ৰন্থখন ৰচনা কৰিছিল। তেওঁৰ গুৰু আছিল শংকৰদেৱ। শংকৰদেৱক লগ পোৱাৰ আগতে মাধৱদেৱ ঘোৰ শাক্তধৰ্মী আছিল। শংকৰদেৱৰ লগত তৰ্কযুদ্ধত পৰাস্ত

হোৱাৰ পিছতহে তেওঁ শংকৰদেৱক গুৰু মানি লয়। মাধৱদেৱে প্ৰবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ দোহাই দি শংকৰদেৱৰ লগত যুক্তি-তৰ্ক কৰিছিল যদিও অৱশেষত নিবৃত্তি মাৰ্গত বিশ্বাসী শংকৰদেৱৰ লগত তৰ্কযুদ্ধত পৰাজয় বৰণ কৰিবলগীয়া হয়। তেতিয়াই মাধৱদেৱৰ ভ্ৰম ভাঙে আৰু তেতিয়াৰ পৰাই শংকৰদেৱক গুৰু বুলি মানি একশৰণ নাম ধৰ্মত দীক্ষিত হয়। সেই তেতিয়াৰ পৰাই মাধৱদেৱে গুৰু শংকৰদেৱৰ বৈকুণ্ঠপ্ৰয়াণৰ সময়লৈকে লগত থাকি নাম ধৰ্ম প্ৰচাৰ কৰে। মাধৱদেৱৰ জীৱনত গুৰু শংকৰৰ ভূমিকা অনন্য। শংকৰদেৱৰ বৈকুণ্ঠপ্ৰয়াণ মাধৱদেৱৰ জীৱনৰ এক অপূৰণীয় ক্ষতি। সেইবাবে তেওঁ 'নামঘোষা' গ্ৰন্থ ৰচনা কৰোতে শংকৰদেৱৰ স্মৃতি আগত ৰাখি বহুকেইটা ঘোষা ৰচনা কৰিছিল। শংকৰদেৱৰ দৰে গুৰু মাধৱদেৱে জীৱনত দ্বিতীয়জন নাপালে।

**১.০০ আলোচনা ঃ-**

ড° বাণীকান্ত কাকতিয়ে 'নামঘোষা' নামৰ প্ৰবন্ধত কৈছে যে 'নামঘোষা'ত 'পুণ্যশ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ ভক্তি মাহাত্ম্য'এই তিনিটা ভাৱৰ সমাৱেশ ঘটিছে। 'নামঘোষা' গ্ৰন্থত আন দুই ভাৱৰ লগতে শংকৰ স্মৃতি কিদৰে প্ৰকাশ পাইছে সেয়া বিচাৰ্য বিষয়।

'নামঘোষা' গ্ৰন্থৰ প্ৰাৰম্ভতে প্ৰকাৰান্তৰে মাধৱদেৱে গুৰুক স্মৰণ কৰিছে এইদৰে-

'মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি'।[১]

বাপচন্দ্ৰ মহন্তদেৱে তেওঁৰ 'নামঘোষাৰ অমিয়া মাধুৰী' গ্ৰন্থত 'মুক্তিত' শব্দটো 'মৃক্তিতো' বুলি আলোচনা কৰিছে।[২] পাঠ সমীক্ষা কৰিলেও দেখা যায় যে 'মুক্তিতো' শব্দটোহে যুক্তি সংগত। ঘোষাটোৰ অৰ্থ হ'ল — যি গৰাকী ভকতৰ মুক্তিৰ প্ৰতিও অকণো স্পৃহা নাই, সেই ভকত জনক আৰু তেওঁৰ শাৰীৰ সকলো ভকতক ৰচকে নমস্কাৰ জনাইছে। ইয়াত ৰচকে প্ৰত্যক্ষভাৱে শংকৰদেৱৰ কথা কোৱা নাই যদিও পৰোক্ষভাবে গুৰু শংকৰৰ বন্দনা কৰিছে। গুৰু অবিহনে জীৱন বৃথা। তেওঁ গুৰুৰ পৰা ৰসময়ী ভক্তি পাবলৈ বিচাৰিছে আৰু সেই ভক্তিৰ দ্বাৰা যদুপতি অৰ্থাৎ, কৃষ্ণৰ পৰমপদ লাভৰ আশা কৰিছে। চৰ্যাপদতো পোৱা যায় গুৰু অবিহনে চৰ্যাৰ গূঢ়াৰ্থ বুজা কঠিন। মাধৱদেৱৰ বাবেও গুৰু শংকৰ আছিল তেওঁৰ জীৱন যুঁজৰ সেনাপতি স্বৰূপ।

পঞ্চদশ শতিকাত মহাপুৰুষ শংকৰদেৱে অসমত একশৰণ নামধৰ্ম প্ৰচাৰ কৰে। নৱবিধা ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তনকে মুখ্য বুলি কোৱা এই ধৰ্মৰ ভেঁটি ৰচনা কৰে শংকৰদেৱে। শংকৰদেৱ প্ৰচাৰিত ধৰ্মৰ বিশ্বস্ত সহায়ক আছিল মাধৱদেৱ।

মাধৱদেৱে অতিকৈ ওচৰৰ পৰা শংকৰদেৱক পাইছিল। মাধৱদেৱ বিচক্ষণ বুদ্ধিমত্তাৰ অধিকাৰ হোৱা গুণে তেওঁ শংকৰদেৱক হৃদয়ংগম কৰিবলৈ জানিছিল।'নামঘোষা' গ্ৰন্থত তাৰ সাৰ্থক প্ৰতিফলন ঘটা দেখা যায়।

'নামঘোষা'ত ভকত-বৈষ্ণৱ তথা সাধু-সন্ত সকলক শংকৰদেৱ প্ৰচাৰিত ধৰ্মৰ বিষয়ে কৈছে এইদৰে — 'শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শংকৰ মত

ধৰিয়োক সজ্জন সকল

হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি

পাইবা ভক্তি পৰম নিৰ্ম্মল।'[৩]

অৰ্থাৎ, সাধু সকলক তেওঁ কৈছে যে শংকৰদেৱে শ্ৰৱণ-কীৰ্ত্তনৰ মাধ্যমেৰে পৰমাৰ্থ তত্ত্ব জনাৰ যি ধৰ্ম প্ৰচাৰ কৰিছে সেই ধৰ্মত সকলোৱে নিমগ্ন হোৱা। হৰিৰ কীৰ্ত্তন কৰিলে বিনা কষ্টে এই সংসাৰৰ পৰা পৰিত্ৰাণ পাবা।

পঞ্চদশ শতিকাৰ সময়ছোৱাত বা তাৰো আগেয়ে অসমত শৈৱ আৰু বিশেষকৈ শাক্ত ধৰ্মই জনমানসত বিশেষ স্থান পাইছিল। প্ৰাচীন কালৰে পৰা কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি পৰিচিত আছিল। পঞ্চদশ শতিকাৰ শেষৰফালে যেতিয়া শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে, তেতিয়া আন আন ধৰ্মাৱলম্বী মানুহৰ প্ৰেক্ষাপটত এই ধৰ্মই বিৰাট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল, যাৰ বাবে সাধাৰণ মানুহৰ লগতে ৰজাৰো ৰোষত পৰিছিল। তথাপি নিৰাশ নহৈ তন্ত্ৰ-মন্ত্ৰ তথা শাক্ত সাধনাৰ দেশত শংকৰদেৱে বৈষ্ণৱ ভকত-মহন্ত সকলক লগত লৈ বেদ-বেদান্ত, ওঠৰ পুৰাণ, উপনিষদাদিৰ পৰা সাৰ সংগ্ৰহ কৰি অসমত একশৰণীয়া নামধৰ্ম প্ৰচাৰ-প্ৰসাৰ কৰে। এনে এজন নিৰ্ভীক, ধাৰ্মিক, উদাৰমনা গুৰু শংকৰদেৱৰ বৈকুণ্ঠপ্ৰয়াণৰ পিছতো মাধৱদেৱৰ মনৰ পৰা গুৰুৰ স্মৃতি মোচ খাই নগ'ল। 'নামঘোষা' গ্ৰন্থত গুৰুস্মৃতি মুখৰিত হৈছে এইদৰে -

'শংকৰেসে শুদ্ধ মত ইশ্বৰ ভক্তিৰ তত্ত্ব

প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি।

ইহাক নজানি নৰে জীবিকাৰ অৰ্থে ফুৰে

আপোনাৰো মহত্ত্ব বখানি।।

শংকৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি

প্ৰচাৰিলা কৃষ্ণৰ ভকতি।

তাংক এৰি কি কাৰণে আনক বোলয় গুৰু

কিনোলোক মহামূঢ় মতি।'[৪]

মাধৱদেৱৰ 'নামঘোষা' গুৰু ভক্তিৰ এক জ্বলন্ত নিদৰ্শন । ধৰ্মৰ কাণ্ডাৰীস্বৰূপ শংকৰৰ কৃপাধন্যতহে মাধৱদেৱে জীৱন নৈত নৌকা মেলি দিবলৈ সাহস পাইছিল। বেদ-বেদান্ত, শাস্ত্ৰাদি অধ্যয়নেৰে পুষ্ট হোৱা শংকৰদেৱ আছিল মাধৱদেৱৰ বাবে জ্ঞানবৃক্ষ কল্পতৰু সদৃশ। 'নামঘোষা'ত গুৰু শংকৰক মাধৱদেৱে সেয়ে বাৰে বাৰে ৰোমন্থন কৰিছে। এনে এজন গুৰুৰ কৃপাধন্যতহে মাধৱদেৱে জগতখন নতুনকৈ চাবলৈ সুবিধা লাভ কৰিছে। 'নামঘোষা'ত গুৰু বন্দনা সেয়ে স্বাভাবিক। গুৰু শংকৰৰ লগত চৈতন্য স্বৰূপ কৃষ্ণৰ অভেদত্ব 'নামঘোষা'ত স্পষ্ট। কলিযুগত হৰিনাম প্ৰচাৰ কৰিবলৈ ভগৱন্তই শংকৰৰ ৰূপ ধৰি পৃথিৱীত অৱতৰণ কৰিছিল। সাধাৰণ মানুহৰ বাবে দুৰ্লভ গুপ্ত অৱস্থাত থকা হৰিনাম শংকৰে পৃথিৱীত প্ৰচাৰ কৰি মানুহৰ উপকাৰ সাধে।'নামঘোষা'ত আছে —

'পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শংকৰ স্বৰূপে আসি
মৃদু ভাঙ্গি সমস্তকে দিলে ।[৫]

অমূল্য ৰত্নস্বৰূপ হৰিনাম দেৱতাসকলে পাই শাস্ত্ৰৰ ভিতৰত নিবদ্ধ কৰি লুকুৱাই ৰাখিছিল, যাৰ ফলত সাধাৰণ মানুহৰ বাবে হৰি নাম লোৱাটো আছিল দুৰূহ কথা। দেৱতাৰ এই চক্ৰান্তক ভেদ কৰি শংকৰদেৱে জনসাধাৰণৰ মাজত নামধৰ্মৰ বাণী প্ৰচাৰ কৰি দেৱতাসকলৰ গৰ্ব খৰ্ব কৰে। সেই একেই ভাৱৰ অনুৰণন ঘটিছে পৰৱৰ্তী নিম্নোক্ত ঘোষাত —

' আদি সত্য যুগে শুদ্ধ ধৰ্ম আছিলেক মাত্ৰ হৰি নাম
দেৱ সৱে গুপ্ত কৰিলে কপট।
হেন হৰি নাম ব্যক্ত কৰি সমস্তে লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শংকৰে ভাঙ্গিলা সবাৰো পট।।'[৬]

কৃষ্ণ নাম প্ৰচাৰ-প্ৰসাৰেই বৈষ্ণৱ-নৱবৈষ্ণৱ ধৰ্মৰ মূল কথা আছিল। কৃষ্ণ নিৰ্গুণ দেৱতা । সত্ব, ৰজ, তম গুণৰ উৰ্দ্ধত কৃষ্ণ। সেই গুণাতীত কৃষ্ণৰ গুণ গাই জগতত তেওঁৰ মহিমা প্ৰচাৰ কৰে শংকৰদেৱে। একমাত্ৰ তেওঁহে পৰমেশ্বৰৰ গুণৰ সম্ভেদ পাইছিল। সেইবাবে জগতৰ উপকাৰ সাধিবলৈ কৃষ্ণৰ গুণ-গৰিমা ৰাইজৰ আগত অৱগত কৰিছিল। এতিয়া সেই কৃষ্ণৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰি পাপীসকলেও সংসাৰ সাগৰ অনায়াসে পাৰ হ'ব পৰে। দয়ালু শংকৰক মাধৱদেৱে সেয়ে 'নামঘোষা' গ্ৰন্থত স্মৰণ কৰিছে এইদৰে —

'নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশংকৰে।

শ্ৰৱণ কীৰ্ত্তন কৰি মহাসুখে
পাপীয়ো সংসাৰ তৰে।'[৭]

হাট-বজাৰত মানুহে দোকান পাতে বস্তু বিক্ৰী কৰিবলৈ। দোকান নাথাকিলে মানুহে প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিবলৈ অসুবিধাৰ সন্মুখীন হ'লহেঁতেন। মানুহৰ এই অসুবিধা লাঘৱ কৰিলে ঠায়ে ঠায়ে পতা দোকানবোৰে। মানুহে প্ৰয়োজনীয় সামগ্ৰী ইচ্ছানুসৰি দোকানৰ পৰা কিনি লয়। শংকৰদেৱেও ঠায়ে ঠায়ে সত্ৰ-নামঘৰ স্থাপন কৰি তাত হৰিনাম জগতবাসীৰ মাজত বিক্ৰী কৰিছিল। সত্ৰ-নামঘৰবোৰ যেনিবা একো একোখন দোকান, বিক্ৰী কৰিবলগীয়া বস্তুবোৰ হৰিৰ গুণ-নাম। শংকৰদেৱে জগতজুৰি হৰি নাম প্ৰচাৰ কৰিবলৈ হাট পাতি তাত ৰাইজৰ মাজত ৰাম নাম বিক্ৰী কৰি নিজে বৈকুণ্ঠ পুৰীলৈ গমন কৰে। একমাত্ৰ শিষ্য মাধৱে গুৰু শংকৰৰ বিষয়ে লিখিছে এইদৰে —

'হৰি ভকতিৰ পাতিলন্ত হাট
শংকৰে জগত জুৰি।
ৰাম নাম ৰত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠ পুৰী।'[৮]

মাধৱদেৱৰ দৃষ্টিত শংকৰদেৱ সাধাৰণ গুৰু নহয়; তেওঁ সৰগৰ কল্পতৰু সদৃশ। কল্পতৰু স্বৰ্গৰ এজোপা বৃক্ষ, যিয়ে যি বিচাৰে তেওঁক সেই ফলেই দান কৰে। হৰি ভকত সকলেও শংকৰদেৱৰ ওচৰলৈ যি বিচাৰি যায় তেওঁলোকৰ সেই প্ৰাৰ্থনা স্বীকাৰ কৰে। সেইবাবে মাধৱদেৱৰ বাবে শংকৰদেৱ হৈছে শ্ৰেষ্ঠ গুৰু; তেওঁ অদ্বিতীয়। 'নামঘোষা' ত তেওঁ লিখিছে যে —

'শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।'[৯]

শংকৰদেৱ পৰম কৃপালু, কাৰণ তেওঁ ইচ্ছা কৰিলে ভগৱানৰ গুণ-গৰিমা নিজে শ্ৰৱণ-কীৰ্ত্তন কৰি অকলে বৈকুণ্ঠলৈ গমন কৰিব পাৰিলে হয়; কিন্তু তেওঁ তেনে নকৰি দয়া পৰৱশ হৈ কৃষ্ণ কথাবোৰ জগতত প্ৰচাৰ কৰিলে। তেওঁ বেদ-বেদান্তাদি কঠিন শাস্ত্ৰবোৰ অধ্যয়ন কৰি নিজে কৃষ্ণৰসত নিমজ্জিত হৈ নাথাকি আনকো তাৰ ভাগ দিছে।

‘পৰম কৃপালু শ্ৰীমন্ত শংকৰ
লোকক কৰিয়া দয়া।
হৰিৰ নিৰ্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চায়া।’[১০]

কলিযুগত পাপীৰ সংখ্যা বৃদ্ধি পাইছে। পাপীসকলে মুক্তিৰ প্ৰশস্ত পথ বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছে। গুৰু নামধাৰী পণ্ডিতৰূপী মনুহ হয়তো বহুত আছে, কিন্তু প্ৰকৃত মুক্তিৰ পথ দেখুৱাব পৰা গুৰু শংকৰদেৱৰ বাদে আন কোনো নাই। এনে এজন ধৰ্ম গুৰুক বাদ দি আনক গুৰু ভজাৰ যুক্তিযুক্ততা মাধৱদেৱে বিচাৰি পোৱা নাই। তেওঁ লিখিছে —

‘শ্ৰীমন্ত শংকৰ প্ৰকাশিলা গোবিন্দৰ নাম গুণ যশ
জগতৰ লোকে পৰম আনন্দ গাৱে।
হেনয় শংকৰ গুৰু বিনে কমন কাৰণে আন জনে
লোকৰ মাজত আপুনি গুৰু বোলৱে।’[১১]

‘নামঘোষা’ৰ উপদেশ গুৰু মাহাত্ম্য ঘোষাত গুৰুস্মৃতি সজীৱ হৈ উঠিছে এইদৰে—

‘যিটো মহামতি গুৰুজনে হৰিভক্তি পন্থ উপদেশ
দিয়া দুঃসময় সংসাৰৰ পাৰ কৰে
হেনয় পৰম গুৰু ঋণ শুজিবাক প্ৰতি জানা নিষ্ঠ
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।’[১২]

অৰ্থাৎ, যিজন মহামতি গুৰুৱে হৰিক ভক্তি কৰিবলৈ উপদেশ দি এই দুঃসময় সংসাৰৰ পৰা জীৱক পৰিত্ৰাণ পাবলৈ পথ সুগম কৰি দিয়ে, সেইজন পৰম গুৰুৰ ঋণ সুজিবলৈ চেষ্টা কৰাত বাদে আন উপায় নাই। ইয়াত ‘মহামতি গুৰু ’ বুলি প্ৰত্যক্ষভাৱে শংকৰদেৱক কোৱা নাই যদিও অতি সহজে অনুমেয় যে শংকৰদেৱেই হ’ল সেইজন গুৰু, যিজনে মাধৱদেৱৰ মানস পটত গভীৰৰ পৰা গভীৰলৈকে সাঁচ বহুৱাই থৈ গৈছে।

মাধৱদেৱে গুৰু শংকৰদেৱ আৰু ভগৱানৰ মাজত বিশেষ পাৰ্থক্য দেখা নাই। তেওঁৰ মতে ভগৱান যিদৰে দয়ালু, গুৰু শংকৰো তেনে দয়ালু । ভগৱান আৰু গুৰু দুয়ো অহংকাৰ বিহীন, তেওঁলোকৰ মাজত পাৰ্থক্য মাথোন শাৰীৰিক অৱয়বৰহে।

'নামঘোষা' গ্ৰন্থৰ শেষৰ ফালে গুৰু শংকৰৰ স্মৃতি জাগ্ৰত হোৱা দেখা নাযায়। গ্ৰন্থখনৰ শেষৰ ফালে মাধৱদেৱে ভক্তিৰসত এনেদৰে ডুব যায় যে তাৰ পৰা বাহিৰলৈ ওলাই আহিবলৈ তেওঁৰ বাবে এক প্ৰকাৰ অসম্ভৱ হৈ পৰিছিল।

## ২.০০ উপসংহাৰ

বিষয়টো আলোচনা কৰি গম পোৱা গ'ল যে গুৰুৰ প্ৰতি মাধৱদেৱৰ হৃদযত যি ভক্তি পুঞ্জীভূত হৈ আছিল, সেয়া অন্ধভক্তি নাছিল। গুৰুৰ সৈতে একেলগে নামধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ কামত আত্মনিয়োগ কৰাৰ সুযোগ পোৱা বাবে গুৰু শংকৰক তেওঁ বৰ ওচৰৰ পৰা প্ৰত্যক্ষ কৰিব পাৰিছিল। মাধবদেৱে নিজেও বিচক্ষণ বুদ্ধি সম্পন্ন, ওজস্বী গুণ সমৃদ্ধ এক বিশেষ ব্যক্তিত্ব সম্পন্ন লোক আছিল। সেয়েহে শংকৰদেৱক তেওঁ ভালদৰে অধ্যয়ন কৰিব পাৰিছিল। 'নামঘোষা' কোমল বয়সৰ আবেগ সমৃদ্ধ পেন্‌পেনীয়া ৰচনা নহয়, ই যিহেতু ভক্ত কবিৰ প্ৰৌঢ় বয়সৰ ৰচনা, সেয়েহে ইয়াত আৱেগৰ সলনি বিবেকেহে স্থান পাইছে। গ্ৰন্থখনত প্ৰকাশিত শংকৰ স্মৃতি সম্বন্ধীয় কথাবোৰৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য।

**প্ৰসঙ্গসূচী ঃ**

১) গোস্বামী, যতীন্দ্ৰনাথ (সম্পা.) ঃ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা, পৃ.১
২) মহন্ত, বেদকান্ত ঃ নাম-ঘোষাৰ অমিয়া মাধুৰী, পৃ. ২
৩) গোস্বামী, যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭
৪) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১১
৫) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২১
৬) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১১৭
৭) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭১
৮) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৪
৯) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৫
১০) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৮০
১১) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১০৭
১২) গোস্বামী,যতীন্দ্ৰনাথ( সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১২০

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) গোস্বামী, যতীন্দ্ৰনাথ (সম্পা.) ঃ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা।

২) চলিহা, ভৱপ্ৰসাদ ঃ মাধৱদেৱৰ সাহিত্য। শ্ৰীমন্ত শংকৰদেৱ সংঘ, নগাঁও। দ্বিতীয় প্ৰকাশ, ২০০০। প্ৰকাশিত।

৩) নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা ( একাদশ সংস্কৰণ), চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১০। প্ৰকাশিত।

৪) নেওগ, মহেশ্বৰ ( সম্পা.) ঃ বাণীকান্ত ৰচনাৱলী। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,২০০৬। প্ৰকাশিত।

৫) মহন্ত, বাপচন্দ্ৰ ঃ নামঘোষা-তত্ত্বদৰ্শন, বনলতা সংস্কৰণ, গুৱাহাটী সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, ২০০৬। প্ৰকাশিত।

৬) মহন্ত,বেদকান্ত ঃ নাম-ঘোষাৰ অমীয়া মাধুৰী। জ্যোতি প্ৰকাশন, গুৱাহাটী, পাণ বজাৰ। প্ৰকাশিত।

৭) শৰ্মা, কুসুমচন্দ্ৰ ঃ বৈষ্ণৱ ভক্তিবাদঃ শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা, নলবাৰী ঃ হৈমন্তিকা,২০০৪। প্ৰকাশিত।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী, সৌমাৰ প্ৰকাশ। নৱম সংস্কৰণ, ২০০৬। প্ৰকাশিত।

৯) শালৈ, পদ্মনাম ঃ ভক্তি ধৰ্ম আৰু ভক্তি কাব্যত এভুমুকি। ছাৰ্ভিছঃ বুক ছেলাৰ্ছ। ইউনিভাৰ্ছিটি কেম্পাছ, ১৯৯৭। প্ৰকাশিত।